# জাহাজত

[ ঢং ঢং ঢং ঢং ]

— কেইটা বাজিল? ধৰিবই নোৱাৰিলোঁ—

— মইও ঠিক গন্তি নকৰিলোঁ। এঘাৰটাই বোধহয়। মোৰ ঘড়ীত এঘাৰটা বাজি পাঁচ মিনিট গৈছে, মই সদায় ঘড়ীটো পাঁচ মিনিট ফাষ্ট্ ৰাখোঁ ইচ্ছা কৰিয়েই—

— এ, মোৰটো আকৌ নিজ খুচিমতে কেতিয়াবা ফাষ্ট্ যায়, কেতিয়াবা শ্ল' যায়, কোনো ধৰা-বন্ধা নিয়ম নাই। এতিয়া, ফৰ্ এগ্জাম্প্ল্ মোৰ ঘড়ীত বাজিছে দহটা পঁচিছ। ইয়াৰ অৰ্থ, নটা পঁচিছৰপৰা এঘাৰটা পঁচিছৰ ভিতৰত যিকোনো টাইম হ'ব পাৰে। অথচ কালি ৰাতি আকাশবাণীৰ নিউজৰ লগত মিলাইছোঁ, চাবিও দিছোঁ আজি পুৱা—মানে, আকাশত সূৰ্য নাথাকিলে কাৰো বুজাৰ সাধ্য নাই পুৱা নে গধূলি, দিন নে ৰাতি। মানে—

— মানে আপোনাৰ ঘড়ীটো আচল টাইমৰ এক ঘণ্টা ইফালে বা এক ঘণ্টা সিফালে, এই দুই লিমিটৰ মাজত টিক্‌টিক্ কৰে?

— সাধাৰণতে। সাধাৰণতে। মানে, জেনেৰেলি। কিন্তু তেনেকুৱা কোনো ধৰা-বন্ধা নিয়ম নাই। ঠাণ্ডা দিনতো মোৰ ঘড়ী কেতিয়াবা শ্ল' যায়, গৰমৰ দিনতো কেতিয়াবা ফাষ্ট্ যায়, কোনো বিজ্ঞানৰ নিয়ম-চিয়ম সি নামানে। তাৰ ৰুল্‌ছ্ এণ্ড ৰেগুলেশ্যন্স্ একেবাৰে দোচোৰা। আৰু মাত্ৰ এক ঘণ্টাৰ হেৰফেৰ বুলিও কোনো কথা নাই, চৰ্বিছ ছেকেণ্ডৰপৰা চৰ্বিছ ঘণ্টালৈকে যিকোনো ইন্টাৰ্ভেল্ শ্ল'-ফাষ্ট্ হ'ব পাৰে। এদিন পুৱা উঠি দেখোঁ ৰেডিঅ'ত চাৰে ছয়টাৰ 'নীতি-বচন' আৰম্ভ হৈছে আৰু মোৰ ঘড়ীতো ঠিক চাৰে-ছয়টা বাজিছে। বাঃ ইমান একিউৰেট্...অৱশ্যে, এক মিনিট পাছতেই বুজি পালোঁ কি ব্যাপাৰ—

— মানে, সেই ৰে'লগাড়ীৰ 'জ'ক্'টো। জানে বোধহয়, সেই 'জ'ক্'টো? ঘগ্ৰাপাৰ ষ্টেশ্যনত বোলে ট্ৰেইন সদায় এক ঘণ্টা, দুই ঘণ্টা দেৰি কৰি আহে, কেতিয়াবা সাত-আঠ ঘণ্টা লেইট্ হয়। পেছেঞ্জাৰবোৰে এদিন ৰে'লৱেৰ জেনেৰেল মেনেজাৰলৈ মস্ত এখন কম্প্লেইন্ট্ দিলে। জি.এম্. নিজে ইন্‌ভেষ্টিগে'ট্ কৰিবলৈ আহিল। ঘগ্ৰাপাৰ ষ্টেশ্যনৰ প্লেটফৰ্মত ভৰি দিছে মাত্ৰ, আঠটা দহৰ ধুব্ৰী-পেছেঞ্জাৰ আহি ইন্ কৰিলে, আৰু জি.এম.-এ ঘড়ী চাই দেখে, ঠিক আঠটা দহ। ষ্টেশ্যনমাষ্টৰক ক'লে, কিয়, ট্ৰেইনতো ঠিকেই ইন্-টাইম্ আহিছে, মিছামিছি কিয় ইমানবোৰ কম্প্লেইন্—ষ্টেশ্যনমাষ্টৰে তেতিয়া মূৰ খজুৱাই-খজুৱাই ক'লে, হয় ছাৰ, পিছে এইখন যোৱাকালিৰহে ট্ৰেইন—

— অ', সেইটো 'জ'ক্'? সেইটো আৰু কোনে শুনা নাই? কিন্তু ঘগ্ৰাপাৰ কিয় হ'ব? মই পঢ়িছিলোঁ যে স্পেইন নে ইটালীৰ কোনোবা ষ্টেশ্যনতহে বোলে—

— নহয়, অৰিজিনেলি ঘগ্ৰাপাৰ। নে কৈঠালকুছি, পাহৰিলোঁ। তাৰপাছতহে ট্ৰেডিশ্যনটো আপোনাৰ স্পেইন বা ইটালীলৈ গৈছে। ভাল কথা এঠাইত ৰৈ নাথাকে। যাক, কি কৈছিলোঁ—?

— আপোনাৰ ঘড়ীটো চৰ্বিছ ছেকেণ্ডৰপৰা চৰ্বিছ ঘণ্টাৰ অগা-পিছা কৰি টিক্‌টিক্ কৰে—

— অ। অৱশ্যে—ঠিক টিক্‌টিক্ কৰে বুলি আৰু ক'ব নোৱাৰি। আগেয়ে সুন্দৰ টিক্‌টিক্ কৰিছিল—স্মুথ্‌লি, কাণৰ কাষত নিলেহে শুনা যায়। আজিকালি—কেতিয়াবা ৰাতি গাৰুৰ তলত ঘড়ীটো থাকিলে হঠাৎ মাজৰাতি শুনো ক'ৰবাত যেন হাতুৰী পিটিছে—ঠক্-ঠক্-ঠক্—তাৰপাছত টোপনি যাওঁ, টিক্-টিক্-টিক্—ঠক্-ঠক্-ঠক্—তাৰপাছত, হঠাৎ শুনো যেন মোৰ কাণৰ তলত এটা পিয়ান' বাজিছে—টুং-টুং-টুং-টুং—টিক্-ঠক্-টিক্-ঠক্—মানে, পিয়ান', ঘড়ী আৰু হাতুৰী, চব একেলগে। এটা মাল্টিপাৰ্পাছ ঘড়ী—

— যাক কয় বহুমুখী প্ৰতিভা?

— এৰা, খালি টাইমটোহে সি ঠিকমতে—

— কি ঘড়ী আপোনাৰ?

— ওমেগা। খাঁটি ছুইছ ঘড়ী, মেইড্ ইন্ ছুইজাৰলেণ্ড, লিখাই আছে।

— লিখাতো বহুত কথাই থাকে—ষ্টেইন্‌লে'ছ্ ষ্টিল্, শ্বক প্ৰু'ফ, ৱাটাৰ প্ৰু'ফ, এন্টি মেগ্‌নেটিক্, টুয়েন্টি জুৱেল...মোৰোতো ছুইছ ঘড়ী, ফেভাৰ্ লয়্বা, ক'ত, মোৰতো আজি আঠ বছৰ হ'ল, কেতিয়াওতো কোনো গণ্ডগোল—

— কেতিয়াবা দোকানত ভাল কৰিব দিছিল নে?

— নাই দিয়া—মানে, অ, দিছিলোঁ, এইতো যোৱা বছৰ—

— ক'ত দিছিলে?

— ক'ত দিছিলোঁ? দোকানত দিছিলোঁ—মানে, ক'ব নোৱাৰোঁ, মোৰ ভাগিনটোৱে ক'ৰবাত ভাল কৰাই আনিছে। তাৰ খাতিৰ থকা কোনোবা চিনাকি দোকান বোলে—পইছাও বহুত কম ল'লে।

— আ, চিনাকি দোকান? তাকে কওক। অচিনাকি দোকানত কেতিয়াবা বস্তু ভাল কৰিব দি পাইছেনে? মোৰটো দিছিলোঁ অচিনাকি দোকানত! এদিন ফাঁচিবজাৰেৰে যাওঁতে-যাওঁতে 'ছুপাৰ্ ৰাছ কোম্পানী' নে কি ছাইনব'ৰ্ড এখন দেখি হঠাৎ কি খেয়াল হ'ল, ধাঁ কৰি সোমাই গ'লোঁ—

— ছুপাৰ্? ফাঁচিবজাৰত?

— বা ছুপাৰ্ব; বা 'ছাব্লাইম'। বা 'ছুইগুলাৰ্'। হোৱাট্ ডাজ্ ইট্ মেটাৰ্? এনিৰে, তাত সিহঁতে কি যে বদলালে, কি যে খুলি ৰাখিলে, তাৰ পিছৰপৰাই ৰাতি-ৰাতি হাতুৰী আৰু পিয়ান' শুনো...একেবাৰে নিৰীহ নিষ্পাপ নিৰ্ভেজাল মুখৰ কেটেঙা মানুহ এজন দোকানৰ কাউন্টাৰত বহি আছিল, মোৰ ঘড়ীটো লৈ বিনা বাক্যব্যয়ে চিধাই বটালি মাৰি সাঁফৰখন খুলি পেলালে, চেপেনা এডালেৰে ক'ৰবাৰপৰা স্প্ৰিং এডাল ক্ৰিংকৈ টানি বাহিৰ কৰি দিলে, চকুত সেই সৰু ক'লা চুঙাটো লগাই মস্ত পাৱাৰফুল লাইট এটা জ্বলাই মস্ত বৈজ্ঞানিকৰদৰে জুমি-জুমি চালে, তাৰপাছত ক'লে, ইচ্, আপোনাৰতো দেখিছোঁ হেয়াৰ্ স্প্ৰিং ডালেই খাৰাপ হৈ গৈছে, হেয়াৰ স্প্ৰিংডাল প্ৰেক্টিকেলি নায়েই—মই ক'লোঁ, 'হয় নেকি? এতিয়া কি কৰিব লাগিব?', তেওঁ ক'লে—

— হেয়াৰ স্প্ৰিং নাই? হেয়াৰ স্প্ৰিং নোহোৱাকৈ আপোনাৰ ঘড়ী চলি আছিল? কি কাণ্ড! আৰু আপুনিও তাকে মানি ল'লে?

— কিয়, হেয়াৰ স্প্ৰিং নহ'লে ঘড়ী নচলে নেকি? মই কি জানো!

— শুনক, আপোনাক এটা ঘটনা কওঁ। 'গল্প কিন্তু সঁচা'। মোৰ মামা—মোৰ গিৰিজা মামাই এবাৰ চিটী বাছৰ পাৰ্মিট লৈছিল। গিৰিজা মামাকতো জানেই—মূৰৰ গোটেইকেইটা বল্টু ঢিলা। বাছ-মটৰগাড়ী এই চবৰ কথা তেওঁ একেবাৰে কিছু নাজানে, কিন্তু কোনোবাই পৰামৰ্শ দিলে যে চিটী বাছৰ লাইন চলাব লাগে, খুব ভাল বিজিনেছ,—বাচ, লৈ ল'লে চিটী বাছৰ পাৰ্মিট। এক মাহৰ ভিতৰতে ড্ৰাইভাৰ-হেণ্ডিমেনে পইছা-টইছা খাই মামাৰ বিজ্‌নেছৰ হালুৱা বাহিৰ কৰি দিলে। এদিন ড্ৰাইভাৰ আৰু হেণ্ডিমেনে আহি মামাক কয় কি—'ছাৰ, অলপ টকা লাগিব, ডাইনেমাটো হেৰাল'। মামাই ক'লে, 'ডাইনেমা হেৰাল? ডাইনেমা কি? গাড়ীত কিবা ডাইনেমাও থাকে নেকি?' 'হয় ছাৰ, ডাইনেমাটো ক'ৰবাত খুলি পৰিল, কোনো মতে কালি লাইন মাৰিছোঁ।' মামাইও আৰু উচ্চবাচ্য নকৰি টকা বাহিৰ কৰি দিলে। 'ডাইনেমা' ছাড়াই মামাৰ গাড়ী চলি আছিল, ভাবক। কোনোবা হাতুড়ে ডাক্তৰে যদি মামাক কয়, 'এঃ, আপোনাৰ দেখোন হাৰ্টটো নায়েই—ইচ্-ইচ্ হাৰ্ট এটা ফিট্ কৰি লওক—', মামাই ভাবিব, ঠিকেই হাৰ্ট নোহোৱাকৈ জীয়াই থকা বৰ ভাল কথা নহয়, ডাক্তৰে যি কয় যিমান টকা লাগে বেফিকিৰ বাহিৰ কৰি দিব। এই হ'ল মোৰ গিৰিজা মামা! এতিয়া দেখিছোঁ, আপুনি গিৰিজা মামাতকৈ কোনো গুণে কম...হুঁ। আৰু কি বেয়া হৈছিল?

— নাই, তেতিয়া আৰু একো বেয়া হোৱা নাছিল, ঠিকেই আছিল। কি খেয়াল হ'ল, ভাবিলোঁ ঘড়ীটো বহুত দিন অভাৰ্ হলিং কৰা নাই, এবাৰ অভাৰ্ হলিং কৰাই লওঁ—

— ঘড়ী জানো অভাৰ্ হলিং কৰে? মটৰ গাড়ীহে অভাৰ্ হলিং কৰে?

— হা? আই মিন্—ভাবিলোঁ, ঘড়ীটো অয়লিং কৰাই লওঁ। ঠিক, অয়লিঙেই হ'ব—কিবা ইস্প্ৰিং-টিস্প্ৰিং খুলি কিবা তেলত জুবুৰিয়াই থয়, দেখিছোঁ। তেল দিলে বোলে ঘড়ীৰ ভাল হয়, ঘড়ীৰ মেশ্বিনাৰীবোৰে ভাল পায়—

— তেল দিলে কোনে বেয়া পায়?

— কি কৈছে? অ, অ, সেইটোওতো এটা কথা, হেঃ-হেঃ। অৱশ্যে, ঘড়ীটো বিলাততো দুবাৰ মান অয়লিং কৰাইছোঁ, কেতিয়াও এনেকুৱা হোৱা নাই। আমাৰ ইয়াতহে এবাৰ তেওঁলোকৰ হাতত এৰি দিয়াৰ পিছৰপৰাই—

— অ', বিলাতত কিনা ঘড়ী?

— নহয়—বিলাতত কিনা নহয়। বিলাতলৈ যাওঁতে এডেনত কিনা। চোৰাই মাল। এডেন, জানেইতো, ফ্ৰী প'ৰ্ট—কাষ্টম্‌ছ্ ডিউটি নাই, চব ফ্ৰী—অগুনতি চোৰাই বস্তুৰ দামাদামি। নহ'লে ভাবক, ওমেগা ঘড়ী এটানো এক পাউণ্ডত পায় নে?

— এক পাউণ্ড—মানে, তেৰ টকা? কয় কি!

— অ। আহিবৰ সময়তো তাতে এটা ৰলিফ্লেক্স্ কেমেৰা কিনিব ধৰিছিলোঁ মোৰ ভতিজা এটাৰ কাৰণে—কিমান দাম কৰিছিল জানে? প্ৰায় চাৰে পাঁচ পাউণ্ড—প্ৰায় আপোনাৰ, বাসত্তৰ টকা। পিছে লৰালৰিতে কিনাহে নহ'ল। পুতলা কিনোতেই গ'ল!

— বাসত্তৰ টকা! টকা?

— অ' এডেনত টকাও চলে—হৰেক কিচিমৰ কাৰেন্সি চলে, পাউণ্ড, ফ্ৰাঙ্ক, ডলাৰ, টকা—

— বেছ সুবিধা তো? আৰু কি কিনিলে?

— নাই, খালি পুতলা। বিলাতৰপৰাও খালি পুতলাই বোজাই কৰি আনিলোঁ বাকচত।

— কিয়, দেশত কি পুতলাৰ ব্যৱসায় কৰোঁ বুলি সিদ্ধান্ত—

— নহয়, মানে বহুত দিন থাকিলোঁতো বিদেশত, মাজে-মাজে চিঠি-পত্ৰত পাওঁ, অমুকৰ এটা ল'ৰা হৈছে, তমুকৰ এজনী ছোৱালী হৈছে, আমাৰ দাদকেইজনৰেইতো অৱশেষত কেইটা হ'ল—ডাঙৰ বাপু, ডাঙৰ মাই, সৰু বাপু, সৰুমাই, নাউবাপু, ভালবাপু—শেষ পৰ্যন্ত চব গোলমাল হৈ খিচিৰি হৈ গ'ল—বন্ধু-বান্ধৱবিলাকৰো কাৰ যে কেতিয়া বিয়া হ'ল, ল'ৰা-ছোৱালী হ'ল—নাঃ ভাবিলোঁ এসোপা পুতলাই লৈ যোৱা যাওক, বাচ্ছাবোৰক এটা-এটা দি আকৌ আগৰ সম্বন্ধবোৰ নতুনকৈ আৰম্ভ কৰিম—

—গুড্ আইডিয়া। মোৰ গিৰিজা মামাওতো একদম নিৰ্বিকাৰ গতিত—ভদ্ৰ লোকে ফেমিলি প্লেনিং-ট্ৰেনিঙৰ নামেই শুনা নাই...হয় দেই কথাটো, শেষলৈ হিচাপ ৰখা টান হৈ পৰে। এবাৰ মই কলিকতাৰপৰা ট্ৰেইনেৰে আহোঁতে আলিপুৰ দুৱাৰ ষ্টেশ্যনত হৈ-চৈ লগাই বাকচ-বিছনা টনা-টনি লগাই মস্ত এটা ফেমিলি নামিছিল, গিৰিয়েক, ঘৈণীয়েক, একদঙ্গল সৰু-সৰু ল'ৰা-ছোৱালী, আৰু এক পৰ্বত মাল-পত্ৰ। ঘৈণীয়েকে কম্পাৰ্টমেন্টৰ চাৰিওপিনৰপৰা ল'ৰা-ছোৱালীবোৰ সামৰি আনি মানুহৰ হেতা-ওপৰাৰ মাজত এটা-এটাকৈ গিৰিয়েকক গতাইছে, আৰু মালবিলাকো গতাইছে, চাৰিওপিনে ভিৰ, হুলস্থুল। 'এই যে ছোট প্যাট্ৰটা', ঘৈণীয়েকে কৈছে। 'নিলাম', গিৰিয়েকে কৈছে। 'এই নাও টিফিন কেৰিয়াৰ'—'পেলাম'। 'এই নাও পিসীমাৰ দেওয়া সুটকেস আৰু জলেৰ কুঁজো'—'পেলাম, পেলাম'। এই নাও 'মণ্টু'—'নিলাম'। 'এই যে নাও 'পিণ্টু'—'নিলাম'। 'এই যে নাও 'নাণ্টু'—'নিলাম'। 'এই যে নাও ঘেণ্টু'—'ঘেণ্টু?' 'ঘেণ্টু?' 'ঘেণ্টুটা আবাৰ কবে হ'ল?'...এই ৰকম কাৰবাৰ।

— হয়, কাৰবাৰ এই ৰকমেই। জাহাজত আহোঁতে-আহোঁতে মনত পেলাবৰ চেষ্টা কৰিলোঁ ঃ মীৰা বাইদেউৰ নন্দেকৰ ডাঙৰ ছোৱালীজনীৰ নাম আছিল বোধহয় জুনজুনি, ল'ৰাটোৰ বোধহয় জুনজুন। মনমা হ'ল বাসন্তীৰ দুই নম্বৰ ছোৱালীজনী, হোৰেৰেজ্ মণিমা হ'ল যতীনৰ এক নম্বৰ কেঁচুৱাজনীৰ নাম—নে ভাইচ্ ভাৰ্চা? জুনজুন ডাঙৰ নে জুনজুনি ডাঙৰ?...ক'ত যে কাক কি বুলি মাতি কাক কাৰ বাচ্ছা বনাই উল্টাপাল্টা লগাই এটা কেলেংকাৰীৰ সৃষ্টি কৰিম ভাবি-ভাবি জাহাজতে কেতিয়াবা ৰাতি দুশ্চিন্তাত টোপনি নহা হ'ল, যিমানেই ঘৰৰ কাষ চাপিব ধৰিলোঁ। লগৰ বন্ধু-বান্ধৱবোৰক ইমান দিন পাছত লগ পাম ভাবি ভালো লাগিছে, আত্মীয়-কুটুম্বসকলকো লগ পাম আকৌ, আৰু ইপিনে আকৌ, দেশলৈ যাবলৈ বেয়াও লাগিছে ঃ কাগজত যি পঢ়োঁ, দেশৰপৰা আহা মানুহৰ মুখত যি শুনো—দেশৰ অৱস্থা কাহিল, গিজগিজ মানুহ হৈছে, আমাৰ চহৰখনৰ বোলে নৰককুণ্ডৰ লগত কম্পিটিশ্যন চলিছে, চাকৰিও নাই, খোৱাবস্তুও নাই, যি আছে তাৰ সকলোতে হেনো কিবাকিবি মিহলোৱা থাকে—'প্ৰটন' বুলি কি এটা বস্তু আছিল, অণু-পৰমাণুত থাকে? চকুৰে নেদেখি?

— প্ৰটন? অ', প্ৰটন। প্ৰটন জানো। প্ৰটন এটা পজিটিভ ছাৰ্জ্‌ৱালা ক্ষুদ্ৰ কণিকা, এটমৰ ভিতৰত থাকে।

— ঠিক। শুনিছোঁ, আমাৰ দেশত বোলে প্ৰটিন বোলা বস্তুটো সেই প্ৰটন বোলা অকণমান এটমিক বস্তুটোৰদৰে হৈ গৈছে—মানে, দেশত কোনেও আৰু তাক দেখা নাপায়। কাৰ্ব'হাইড্ৰেটৰো সেই একেই অৱস্থা। বিৰাট এখন খিচিমিচি দেশ—উভতিবৰ বিন্দুমাত্ৰ ইচ্ছা যোৱা নাই, হে প্ৰভু, জাহাজখন অলপ লাহে-লাহে যাব দিয়া...পৰ্ট চৈয়দ এৰি চুৱেজ কেনেলৰ মাজেৰে যেতিয়া জাহাজ গৈ আছে আস্তে-আস্তে, আমি পেছেঞ্জাৰবোৰে ডে'কত বহি-বহি দুই পাৰৰ গাঁও আৰু মৰুভূমি আৰু তালগছেই নে খেজুৰগছেই সেই কিবাকিবিবিলাক চাই-চাই ব'ৰ্‌ড্ হৈ গৈছোঁ, ঠিক কৰি পেলালোঁ, কেনেলৰ সিটো মূৰে যেতিয়া জাহাজ পৰ্ট ছুৱেজত ৰ'ব, নিশ্চয় ফ্ৰী পৰ্ট, পাৰোঁ মানে পুতলাকে কিনিম—জাহাজত সকলো বস্তুৰ দাম সস্তা, জানে বোধহয়, খাঁটি ইংলিছ চিগাৰেট বিলাততকৈও সস্তা, বিশুদ্ধ স্কচ্ হুইস্কী, ইটালীয়ান্ মাৰ্টিনি-ভাৰ্মুট, আমেৰিকান জীন, ডে'নমাৰ্কৰ লাগাৰ, মিউনিকৰ বীয়াৰ। 'বাৰ'ত বহি-বহি দগৰি বীয়াৰকে খাই ল'লোঁ, দেশত আৰু ক'ত পাম—শুনোতো যে দুমাহে তিনিমাহে চিভিল ছাৰ্জেনক ঘোচ দি পাৰ্মিট ল'ব লাগিব, অন্যথাই আঢ়ৈ গুণ দাম দি ব্লেক মাৰ্কেটৰ ৰদ্দি মাল। জাহাজত বহুত ভাৰতীয়ও আছিল, ডিগ্ৰী লৈ অহা বঙালী ছাত্ৰ, ট্ৰেইনিং লৈ অহা পাঞ্জাবী আৰু মাদ্ৰাজী মানুহ, সিন্ধি নাইলন্-বেপাৰী, আৰু হৰেক কিচিমৰ। কিছুমান পৰিয়ালো আছিল, ল'ৰাৰ্ ডে'কত একপাল ভাৰতীয় আৰু ইউৰোপীয় সৰু ল'ৰা-ছোৱালী দৌৰাদৌৰি কৰি থাকে, সিহঁতৰ লগত 'কয়ট্' খেলি আৰু স্কিপিং কৰি কোনোমতে কিছু সময় কটালোঁ, লউঞ্জত বহি-বহি টোপনিয়াই (তাতো হাল্লা, নানাৰকম মানুহে লউঞ্জত আড্ডা পাতে, তাচ খেলে, ইংৰাজ ছোৱালী এজনীয়ে মাজে-মাজে পিয়ান'টোত মান্ধাতাৰ যুগৰ ভিয়েনিজ ৱাল্‌জ্ বজাবৰ চেষ্টা কৰে—টোপনিওৱা আৰু হৈ নুঠে—মিউনিক্ বীয়াৰ বিচাৰি 'বাৰ'লৈ ঢাপলি মেলোঁ)...পৰ্ট্ ছুৱেজৰ বাহিৰত জাহাজ লংগৰ কৰাৰ লগে-লগে—

— ছুৱেজ নে এডেন! এডেন বুলিহে ক'লে?

— এডেন বুলি ক'লোঁ নেকি? ছুৱেজ বা এডেন, হোৱাট্ ডাজ্ ইট্ মেটাৰ? একেই কথা। মানে ছুৱেজ খাল পাৰ হৈ ৰে'ড্ ছী, আমাৰ ভূগোলৰ সেই লোহিত সাগৰ, অসম্ভৱ গৰম, পুতলা কিনাৰ প্লেনটো ঠিক কেতিয়া যে আহিল—ছুৱেজ বন্দৰ পাৰ হৈ ৰে'ড ছীৰ গৰমত আৰু দুৰ্ভাবনাত টোপনি নহা অৱস্থাতেই, নে ছুৱেজ পোৱাৰ আগেয়েই, আজি আৰু হুবহু মনত পেলাই কি লাভ-লোকচান কওক? মুঠতে, এটা খিচিমিচি বন্দৰ, সাত ৰাজ্যৰ মানুহৰ ভিৰ, হৈ-হাল্লা, অজস্ৰ মাল-বস্তুৰ বজাৰ—বন্দৰৰ নামটো ছুৱেজেই হওক বা এডেনেই হওক। ঘটনাটো শুনক। হা, বন্দৰৰ বাহিৰত জাহাজ লংগৰ কৰাৰ লগে-লগে নানান

বয়বস্তু লৈ সেই ফ'ৰটুৰেন্টী আৰব বেপাৰীবোৰৰ নাওবিলাক আহি জাহাজ ঘেৰি ধৰিলে, আৰু জাহাজৰপৰা বন্দৰলৈ খেৰা মৰা মটৰ-ব'ট। কালৈকো নৰৈ মই অকলেই এখন মটৰ-ব'টত উঠি বন্দৰ পালোঁগৈ। ওচৰৰ বজাৰৰ যত দোকান, অলি-গলি টাকুৰি ঘূৰাদি ঘূৰিলোঁ, খালি পুতলাকেই কিনিলোঁ। অসম্ভৱ সস্তা, বিলাততকৈও সস্তা—যিবোৰ পুতলা লণ্ডনৰ ৰিজেন্টস্ট্ৰীটৰ মস্ত পুতলাৰ দোকানখনত এক পাউণ্ডতকৈ কম নহয়, ইয়াত সেইবোৰেই এক শ্বিলিং, দুই শ্বিলিং, এনেকুৰা। মাজে-মাজে আমাৰ জাহাজৰ আন কিছুমান মানুহক লগ পালোঁ, বঙালী, পাঞ্জাবী, মাদ্ৰাজী, ইউৰোপীয়, চবে বেলেগ-বেলেগ দল বান্ধি গোটেই বন্দৰ পিয়াপি দি ঘূৰিব ধৰিছে, তেওঁলোকৰ কোনেও অৱশ্যে তেনেকৈ পুতলা বিচৰা নাই, মোৰ হাতত শহাপহু, হেলিকপ্টাৰ, ডনেল্ড্ ডাক্ এইবোৰ দেখি তেওঁলোক আচৰিত ঃ কি দাদা, এই বয়েসে আবাৰ পুতুল খেলতে বসলেন? আৰে ইয়াৰ, আপতো চব খিলৌনাহি ঝুলি মে ডালা, আৰে ভাই চাহাব, কোই কামেৰা-উমেৰা ভি তো ডালিয়ে কম্চে কম...এটা কাপোৰৰ মোনা কিনি চব তাতে ঠাহি ভৰালোঁ, ভাবিলোঁ, সঁচাই, এইবাৰ এটা 'কামেৰা-উমেৰা'ৰ খবৰ কৰা যাওক, এনেতে চকুত পৰিল হব'ক, দেখিয়েই বুজিলোঁ নিকিনিলে ৰক্ষা নাই।

— হব'? কি হব'?

-- কৈছোঁ। এটা পুতলা। এই ৰকম ঃ এটা বহুৰা, মানে এটা চাৰ্কাছৰ ক্লাউন, বহি আছে, দিলখোলা হাঁহিমুখ, তাৰ নাম 'হব''। নাকটোত এটা গোল ৰঙা থোপা লগোৱা, গাল দুখনো ৰঙা, দেখিলেই মৰম লাগে, ছেক্-কাটা পেটাৰ্নৰ পেণ্টত টাপলি মৰা, জোতাতো টাপলি মাৰা। হব'ৰ হাতত এখন একৰ্ডিয়ন, হব'ৰ সমুখত এটা বান্দৰ, ধোঁৱা ৰঙৰ, বহি আছে, তাৰ দুই হাতে (বা ভৰিত, যিয়েই কওক) দুপাত তাল। গোটেই কাণ্ডটোৰ নাম "হব' দি একৰ্ডিয়ান প্লেয়াৰ"। একাষে এটা সৰু ছুইচ আছে, ছুইচটো টিপি দিলে হব'ই একৰ্ডিয়ানখন বজাব ধৰে ঃ পেঁ-পো-পে-পোঁ—আৰু লগে-লগে বান্দৰটোৱে তাল দুখন বজাব ধৰে ঃ ঢং-ঢং-ঢং-ঢং। মেইড্ ইন জাপান। কিমান দাম? দোকানীয়ে ক'লে পঁচিছ টকা (বাই দি ৱে, পিছত কলিকতাৰ ৰাছেল স্ট্ৰীটৰ খেলনাৰ দোকান এখনত হব'ক দেখিছোঁ, দাম ক'লে তেসত্তৰ টকা!) ইতিমধ্যে মোৰ পইছা শেষ হৈ আহিছে। 'দহ টকা হ'ব?' দোকানীয়ে হাঁহে। বাৰ টকা হ'ব? দোকানীয়ে আৰু বেছি হাঁহে। অৱশেষত প্ৰচুৰ হেগ্‌লিঙৰ শেষত পোন্ধৰ টকাত দাম ঠিক হ'ল। এনেতে দেখিলোঁ জাহাজৰ সহযাত্ৰীবোৰে অসংখ্য বস্তুৰে বোজাই হৈ জেটিৰ পিনে ছুটাছুটি আৰম্ভ কৰি দিছে, মাজতে এবাৰ মুখাৰ্জী বোলা ল'ৰাজন ৰ'ল, 'এ কি মশাই, ওসব পুতুল-টুতুল ছাড়ুন এখন, চলুন, জাহাজ ছেড়ে দিচ্ছে—' আৰু মোৰ বাবে নৰৈ হন্তদন্ত হৈ বেগ দিলে। ইচ্, জাহাজ এৰিবৰ হ'লেই নেকি? লৰালৰিকৈ টকা উলিয়ালোঁ, জাহাজ যায়, সোনকালে পেক্ কৰা, জাহাজ যায়, জাহাজ যায়। আৰব দোকানীয়ে যাক কয় আকৰ্ণবিস্তৃত হাঁহি মাৰি কয়, কোনো ভয় নাই, জাহাজ ইমান সহজে নাযায়, 'ভয় নাখাব, চব পেছেঞ্জাৰেই শেষৰ পিনে এইৰকম দৌৰাদৌৰি আৰম্ভ কৰে—'বেটাৰী কিন্তু এ'ক্সট্ৰা। বেটাৰীৰ কাৰণে আৰু এক টকা লাগিব'। বেটাৰী? মোৰ অৱস্থা আপোনাৰ গিৰিজা মামাৰদৰে হ'ল। বেটাৰী আছে নেকি ইয়াত? 'হা, এই যে'—দোকানীয়ে হব'ৰ ভৰিৰ তলৰ সৰু পাত এচটা ঠেলি চাৰিটা টৰ্চ-লাইটৰ বেটাৰী বাহিৰ কৰিলে। 'আচ্ছা দিয়া-দিয়া, তাড়াতাড়ি কৰা', মই জেটিৰ পিনে চাই চায়েই অধৈৰ্যভাৱে ক'লোঁ, আৰু মানুহটোৱে এটা সন্তুষ্টিৰ হাঁহি মাৰি (মানে, বুজিছেই, মোৰ জাহাজ যোৱা ভয়ৰ সুবিধা ল'লে, ঝানু চাইক'লজিষ্ট) অ, হাঁহি মাৰি ইফালৰপৰা সিফালৰপৰা পেকিং কাগজ, কাৰ্ডব'ৰ্ডৰ বাকচ, ৰচি টানি মেৰুৱাই 'এই যে কম্‌প্লিট্' বুলি এটা চালাম মাৰি মোৰ হাতত পেকেটটো থেকেচ্‌কৈ গুজি দিলে, মই বিলাতৰ অভ্যাস মতে "থেংক্ ইউ" বুলি চিঞৰ এটা মাৰি এহাতে কাপোৰৰ মোনাটো আনহাতে "হব' দি একৰ্ডিয়ন প্লেয়াৰ"ৰ বাকচটো খামুচি ধৰি জেটিৰ পিনে দৌৰ দিলোঁ। মোৰ দৰেই দেৰি হৈ যোৱা কেইজনমান মানুহে তেতিয়া আৰব নাৱৰীয়া এটাৰ লগত উত্তেজিতভাৱে জাহাজলৈ কিমান পিয়েস্তাত নে কিমান টকাত নিব দৰাদৰি কৰিব লাগিছে, তেওঁলোকৰ অসংখ্য চামান, আৰু মই জাঁপ মাৰি নৌকাত উঠি ক'লোঁ, "লেট্‌চ্ গে'ট টু দি ব'ট্ ফাৰ্ষ্ট, দাম-দৰ পিছতো হ'ব, হেৰা, লৈ ব'লা, লৈ ব'লা", এই বুলি বহি গ'লোঁ, আমাৰ জাহাজখনে তেতিয়া ভোঁ-ভোঁকৈ গুৰু-গম্ভীৰ হুইচেল মাৰিব আৰম্ভ কৰিছে, মাস্তুলৰপৰা ধোঁৱা ওলাব ধৰিছে, জাহাজৰ ডে'কত অসংখ্য মানুহ, আৰু জাহাজৰ ভিতৰত ক'ৰবাত এটা ঘণ্টা বাজিব ধৰিছে। নাও এৰি দিলে—"জোৰে, জোৰে"—আৰু কোনোমতে গৈ যেতিয়া নাওখন জাহাজ পালে, তেতিয়া খালাচীবোৰে জাহাজৰ গেংৱে উঠাবৰ উপক্ৰম কৰিছে, যেয়ে যি পাৰে আৰব নাৱৰীয়াটোৰ হাতত গুজি দি 'গেংৱে'ত জাঁপ মাৰি উঠি ওপৰলৈ দৌৰিলোঁ—মস্ত বিশৃঙ্খলা—আৰু এক মিনিট দেৰি হ'লেই কি যে হ'লহেঁতেন...বিৰাট কনফিউশ্যন...জাহাজ এৰি দিলে।

ডে'কত বিৰাট 'বজাৰ'। চবেই নিজৰ-নিজৰ ঐশ্বৰ্যভাণ্ডাৰ খুলি বহি গৈছে, খৰচৰ হিচাপ কৰিছে, ইজনে সিজনৰ বস্তুবোৰ চাইছে, উত্তেজিত আলোচনা। সৰু-ডাঙৰ-মজলীয়া চামৰা-প্লাষ্টিক আৰু ফ'ম্-লে'ডাৰৰ ছুটকেচ, এটাচি-কে'চ, ব্ৰীফ্-কে'ছ, ছিল্ক আৰু নাইলনৰ হৰেক কিচিমৰ কাপোৰ, টেৰিলিনৰ ছুট (তেতিয়া আমাৰ দেশত টেৰিলিন নতুন বস্তু, আজিৰ দৰে ইমান ব্যাপক হৈ পৰা নাই) ডিনাৰ-ছে'ট, লাইটাৰ, বহু ৰকমৰ কেমৰা (ক'ডাক, ৰলিফ্লেক্স, নিকন, আচাহি-পেন্টাক্স, হাছেলব্লাড্) ফিলিপ্‌ছ্ আৰু ব্ৰাউন শ্বেভিং মেশ্বিন, ছুইডিছ টাইপৰাইটাৰ, ককটেইল ছে'ট, অজস্ৰ সৰু-ডাঙৰ-গোল-চেপেটা ঘড়ী (এনেকি এটা 'কাকু-ক্লক'—য'ত 'কুলি' চৰাই এটা ওলাই আহি যেইটা বাজে তিমান বাৰ কুকু-কুকু কৈ চিঞৰি আকৌ অন্তৰ্ধান হৈ যায়); ইলেক্ট্ৰিক ট'ষ্টাৰ, হীটাৰ, নানা ৰকমৰ ছুভেনিৰ্—মণি, গহনা, ছবি, সোণৰ ব্ৰুছ, টাইপিন, ফ্ৰে'ঞ্চ পাৰ্ফিউম, বাইন'কুলাৰ, মুভি-

কেমেৰা, এটা ৰিভলভাৰৰ আকৃতিৰ চিগাৰেট কে'ছ ('হেণ্ডছ্ আপ' বুলি তাৰ মালিকে ট্ৰিগাৰ্টো টিপি দিলে, গুলিৰদৰে ওলাই আহিল—এডাল চিগাৰেট!) ট্ৰেঞ্জিষ্টৰ ৰেডিঅ', ৰেডিঅ'গ্ৰাম, ৰেকৰ্ডপ্লেয়াৰ, শ্বে'ফাৰ্চ আৰু পাৰ্কাৰ কলম, হাতী দাঁতৰ স্ফিংচ, ফাৰাঅ'ৰ মূৰ্তি, হাতীদাঁতৰ উট, এনেকি হাতীদাঁতৰ এটা 'ইজিপচিয়ান বুদ্ধ' পৰ্যন্ত—স্কাৰ্ফ আৰু তিৰোতা মানুহৰ মূৰত বন্ধা কাপোৰ, এখন ইলেকট্ৰনিক গীটাৰ (এজন বঙালী ল'ৰাৰ, ভাল বজায়)—এনেকি এখন 'বোখাৰা'ৰ দলিচা আৰু এটা সৰু চিলাইকল পৰ্যন্ত (ভাগ্য ভাল, কোনেও এটা ৰেফ্ৰিজাৰেটৰ বা এখন পেৰাম্বুলেটৰ উঠাই লৈ অহা নাই!)...মোৰতো এইচব একো নাই, মই ডে'কৰ এচুকত বহি লৈ চিনাকি সৰু ল'ৰা-ছোৱালীকেইটা থুপ খুৱাই লৈ মোৰ ভাণ্ডাৰটো মেলিলোঁ—চাবি দিলোঁ, বগা শহাপছু এটা গোটেই ডে'কৰ মানুহবোৰৰ মাজত ক্ৰিং-ক্ৰিং-ক্ৰিং-কৈ জাঁপ মাৰি-মাৰি ঘূৰিব ধৰিলে। চাবি দিলোঁ, ৱাল্ট ডিজ্‌নিৰ কাৰ্টুনৰদৰে কুকুৰ এটাই ভুক-ভুক কৰি মেকুৰী এটা খেদি লৈ গ'ল, মেকুৰীটোৱে মিউ-মিউ কৰি মিকি-মাউছৰদৰে নিগনি এটা খেদি লৈ গ'ল, কুকুৰ-মেকুৰী-নিগনী একেখিনি ঠাইতে ঘূৰি-ঘূৰি মেৰপাক খায়, ভয়তে নিগনিটোৱে ছুঁইক্-ছুঁইক্ শব্দ কৰে! চাবি দিলোঁ, এজনী বেলেৰিনাই নাচিলে। এখন হেলিকপ্টাৰ, ঘৰৰ্ৰৰৰ্কৈ মানুহবোৰৰ মূৰৰ ওপৰেদি ছোঁ-মাৰি গ'ল। জাহাজ আৰু 'ইয়ট' নাও, মটৰ গাড়ী, ৰেলৰ ইঞ্জিন আৰু স্পেইচ্‌শ্বিপ্। 'জাইৰ'স্কপ' বোলা এবিধ লাটুম, বোঁ-বোঁকৈ ঘূৰে। হৰকে ৰঙৰ ঘৰ-বনোৱা টুকুৰা আৰু মালা-তোলা ক্ৰেইন। এখন স্লেজগাড়ীত ৰঙা পোছাক পিন্ধা ছান্টাক্লছ, মস্ত বগা দাড়ি, কাযলতিত বৰদিনৰ উপহাৰৰ জোলোঙা, 'ৰুডলফ্ দি ৰে'ড ন'জ্‌ড্ ৰেইন্‌ডিয়াৰ'ৰ টিউনটো টুং-টুংকৈ বাজে আৰু স্লেজ্‌খন চলে। পেঙ্গুইন চৰাই। কাপোৰৰ হাতী, শুঁৰ জোঁকাৰে। ৰবৰৰ জিৰাফ, ডিঙি মেলি দিয়ে। এজনী চাকাৰ্ছৰ 'এক্ৰবেট্' ছোৱালী, পেটত চকা এটা ঘূৰাই মহানন্দে 'হুলা-হুপ্' নাচে...ল'ৰা-ছোৱালীবোৰে কিৰিলি পাৰি হাঁহে, মাইকী মানুহবোৰে "চাওঁ-চাওঁ মই এবাৰ দিওঁ—" বুলি কিবা এটা তুলি লৈ চাবি দি দিয়ে, এটা আচল কেঁচুৱাৰ ছাইজৰ কাপোৰৰ পুতলা এক ভদ্ৰমহিলাৰ হাতত পৰিল, হাতেৰে হেঁচা দিলে চকু পিৰিক-পাৰাক কৰি পুতলাটোৱে এবাৰ হাঁহে এবাৰ কান্দে, তেওঁলোকো হাঁহি-হাঁহি বাগৰি পৰিব খোজে...লাহে-লাহে ড'কৰ গোটেইবোৰ মানুহে কেমেৰা-ট্ৰেঞ্জিষ্টৰ—নাইলন্ টে'প ৰেকৰ্ডাৰ এৰি এজন-দুজনকৈ মোৰ পুতলাবোৰৰ চাৰিওপিনে ভিৰ কৰিব ধৰিলে, চবকেই এবাৰ ইটো চাবি দিব লাগে, সিটো পকাই দিব লাগে...মস্ত এট্ৰেক্‌শ্যন...মই তেতিয়া ক'লোঁ, "লেইডীজ্ এণ্ড জেন্ট্‌ল্‌মে'ন, এতিয়া আমি আমাৰ 'পুতলাপুৰী'ৰ সৰ্বশ্ৰেষ্ঠ আকৰ্ষণটো স্বচক্ষে দেখিম—লে'ডীজ্ এণ্ড জেন্ট্‌লমে'ন, পৃথিৱীৰ আটাইতকৈ চতুৰ দুজন শিল্পীক চাবলৈ এতিয়া প্ৰস্তুত হওক—এই যে (যাদুকৰৰ দৰে বাকচটো খুলি হব'ক দাঙি ধৰিলোঁ)—হব' দি একৰ্ডিয়ন্ প্লে'য়াৰ্ আৰু হব'ৰ অনুগত ভৃত্য, পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভাকুশলী তাল-বাদক—এক আৰু অদ্বিতীয়—ছিম্পি!" চাৰিওপিনে এটা গুঞ্জন বিয়পি গ'ল—কোনোবা ভদ্ৰমহিলাই ক'লে, "অ', হাউ ছুইট!"—কোনোবাই ক'লে, "অ', এইন্ট্ হি কিউট্?" কোনোবাই ক'লে, "আহ্‌হা, ক্যায়চা খুপচুৰৎ ক্লাউন্ খিছা—", কোনোবাই ক'লে, "এই সেৰেছে ৰে, এখন—" ...এতিয়া লেইডীজ্ এন্ জেন্ট্‌লমে'ন্, এই যে ছুইচটো দেখিছে—

সমস্ত ডে'ক যাক কয় কাঁহ পৰি জীণ গ'ল, পিন্-ড্ৰপ্ ছাইলেন্স, স্মিথ্ জন্স্ আৰু ব্ৰাউন, কাপুৰ মাথুৰ আৰু মালহোত্ৰা মেৰহোত্ৰা, মুখাৰ্জী বেনাৰ্জী আৰু চেটাৰ্জী, চবে থ হৈ হব' আৰু ছিম্পিৰ পিনে ৰুদ্ধনিঃশ্বাসে চাই আছে।

"—এই যে ছুইচটো দেখিছে, এইটো মই এতিয়া টিপি দিম, আৰু তেতিয়া—কিন্তু, আপোনালোকে নিজেই দেখিব কি ঘটে, এতিয়াই—ৱান্-টু-থ্ৰি—" আৰু নাটকীয়ভাৱে হাতখন এটা ভঙ্গী দি নমাই আনি ছুইচটো টিপি দিলোঁ ঃ ক্লিক্!

একো নঘটিল। হব'ই দুয়োহাতে একৰ্ডিয়নখন যেনেকৈ ধৰি আছিল তেনেকৈয়ে ধৰি মুখত অঁকৰাৰ হাঁহিটো লৈ বহি থাকিল, ছিম্পিয়ে দুই হাতে তাল দুপাত যেনেকৈ ধৰি আছিল, তেনেকৈয়ে ধৰি বহি থাকিল...মোৰদৰেই এক মুহূৰ্ত চব আচৰিত, তাৰপাছত কোনোবাই "বু—!" বুলি চিঞৰি উঠিল, মাইকী মানুহবোৰে মোৰ পিনে মহা পুতৌৰ চাৱনি মাৰি "এ—" বুলি নিৰাশভাৱে আক্ষেপৰ গুণগুণনি তুলি উঠিল, কোনোবাই হাঃ-হাঃ-কৈ হাঁহিব ধৰিলে, "ব্ৰাভ! ৰণ্ডাৰফুল! ৰণ্ডাৰফুল!—মাইৰি, দেখাল বটে একটা—বাহাব্বা, ক্যায়চা চটক্‌দাৰ খে'ল্ দেখায়া আপনে—"

...মই ঘামি-জামি কাণে-মূৰে ৰঙা-চঙা পৰি...

— কি হ'ল নো?

— হ'ব আৰু কি! দোকানীয়ে মোক দেখুৱাবলৈ বেটাৰীকেইটা সেই যে বাহিৰ কৰিছিল, জাহাজলৈ বুলি লৰালৰি কৰোঁতে কোন সুযোগতে হাতচাফাই মাৰি সি সেইকেইটা আৰু পুতলাটোৰ ভিতৰত নুসমুৱালে। অথচ, দাম দিবলৈতো ৰাজীও হৈছিলোঁ। অথচ, মাত্ৰ এক টকাৰ ব্যাপাৰ।

— এঃ ট্ৰেজিক! ট্ৰেজিক! ভাল শিক্ষা হ'ল, কি কয়?

— শিক্ষা হ'ল? কি শিক্ষা হ'ল? নহয়, নহয়, শিক্ষা-টিক্ষা নহয়—এইবোৰ কাণ্ডতো আমাৰ দেশত হৰদম হৈ আছে, নতুন কথা কি। বহুত দিন বাহিৰত থাকি পাহৰি গৈছিলোঁ—এই মাত্ৰ। শিক্ষা খালি এইটোৱেই হ'ল—মানে ঠিক শিক্ষা নহয়—মনত পেলাই দিলে, সোঁৱৰাই দিলে।

— কি সোঁৰৱাই দিলে?

— যে ঘৰৰ ওচৰ চাপিছোঁ। কালি আবেলি আৰব সাগৰত সোমাম। আৰু সময় নাই। হব' আৰু ছিম্পিক লৈ তৎক্ষণাৎ তলৰ "বাৰ্'টোত গৈ বহিলোঁ, কাউন্টাৰত হব' আৰু ছিম্পিক আথেবেথে বহালোঁ মোৰ সন্মুখত, সিহঁতক ক'লোঁ, "চা হব', চা ছিম্পি, তহঁতক

পাছত নতুন বেটাৰী লগাই দিম, যিমান ইচ্ছা একৰ্ডিয়ন বজাবি, যিমান ইচ্ছা তাল বজাবি, কিন্তু এই কেইঘণ্টা আৰু মোক তহঁতে দিগদাৰ নকৰিবি। মই এই কেই ঘণ্টা বিশুদ্ধ বস্তু আস্বাদন কৰি ল'ম—দেখিলিতো কেনেকুৱা কাণ্ড, কেনেকুৱা বস্তু পাবিগৈ আমাৰ তাত—ল, তহঁতেও অলপ ল—অ' তহঁতে আকৌ শ্ব' দিব লাগিব, বেছি ষ্ট্ৰং বস্তু তহঁতক নিদিওঁ, স্কচ্ তহঁতৰ বাবে ঠিক নহ'ব—', এই বুলি হ'বৰ সন্মুখত এক গিলাচ সোণালী ৰঙৰ স্বচ্ছ মিউনিক্ বীয়াৰ থ'লোঁ। "ল, সন্দেহৰ একো নাই, প্ৰচুৰ কাৰ্বহাইড্ৰে'ট আছে—মিউনিকৰ ব্ৰিৱাৰিৰপৰা যেনেকৈ আহিছে ঠিক সেই বস্তুটোৰেই তহঁতক দিছোঁ। চিয়াৰ্ছ—"